# জীৱন নৰহৰ ‘পেলনীয়া ব্যাখ্যা’

**ড° অসীম চুতীয়া**




*পেলনীয়া ব্যাখ্যা* জীৱন নৰহৰ স্বাক্ষৰ বহন কৰা শেহতীয়া কাব্যিক অভিজ্ঞতাৰ নৱতম সংকলন। এই সংকলনৰ কবিতাসমূহত ‘সময়’ আৰু ‘স্মৃতি’ৰ প্ৰাসংগিক উপস্থিতি বিশেষভাৱে ধৰা পৰিছে। সময় ইয়াত কেৱল ঘড়ীৰ চলমান কাঁটাডাল নহয়; ই মানুহৰ জীৱনৰ আৰ্জিত অভিজ্ঞতাৰ বিভিন্ন স্তৰ। তেওঁৰ কবিতাত সময় কেতিয়াবা আগবাঢ়ে, কেতিয়াবা থমকি ৰয়, কেতিয়াবা পুনৰ উভতি আহে স্মৃতিৰ ৰূপ লৈ। এই সময়-বোধ কবিৰ দৈনন্দিন জীৱনৰ সৰু সৰু মুহূৰ্ত, অনুভৱ আৰু উপলব্ধিৰ মাজেৰে ধৰা দিছে। ফলত পঢ়ুৱৈয়ে নিজৰ জীৱনৰ সময়ৰ সৈতে এই কবিতাৰ সময়ক মিলাই চাব পাৰে বা একাত্ম হোৱাৰ অৱকাশ বিচাৰি পাইছে।

জীৱন নৰহৰ কবিতাত সমাজ-চেতনা আছে, কিন্তু সি কেতিয়াও শ্লোগান বা প্ৰচাৰধৰ্মী ৰূপ নলয়। সমাজখনৰ আটাইতকৈ নিঃস্ব, উপেক্ষিত আৰু সংবেদনশীল মানুহবোৰৰ প্ৰতি থকা গভীৰ আত্মীয়তাৰ পৰাই তেওঁৰ সামাজিক দৃষ্টিভংগীয়ে গঢ় লৈছে। সেই কাৰণেই এই কবিতাবোৰত কোনো অপ্ৰয়োজনীয় ব্যাখ্যা বা মতবাদী দাবী নাথাকে। ইয়াত আছে কিছু প্ৰশ্ন, আক্ষেপ আৰু গভীৰ সহমৰ্মিতা। এই সংযমেই জীৱন নৰহৰ কবিতাবোৰক অধিক বিশ্বাসযোগ্য আৰু প্ৰভাৱশালী কৰি তুলিছে।

ছন্দৰ ক্ষেত্ৰতো জীৱন নৰহৰ কবিতা বিশেষ ধৰণৰ। পৰম্পৰাগত অৰ্থত ছন্দ নাথাকিলেও এই কবিতাবোৰ সম্পূৰ্ণৰূপে লীৰিকেল। শব্দৰ পুনৰাবৃত্তি, বাক্যৰ সৰল গতি আৰু ভাষাৰ স্বাভাৱিক সোঁতেই এক অন্তৰ্নিহিত সংগীত সৃষ্টি কৰে। এই সংগীত বাহ্যিক নহয়; এই সংগীত পঢ়ুৱৈয়ে কবিতাসমূহ পঢ়োঁতে নিজেই অনুভৱ কৰিব পাৰে। সেই কাৰণেই এই কবিতাবোৰ পঢ়িলে হৃদস্পন্দনৰ সৈতে এক ধৰণৰ মিল অনুভূত হয়। এই সুৰটোৱেই জীৱন নৰহৰ কবিতাক পৃথক দৃষ্টিভংগী প্ৰদান কৰিছে।

*পেলনীয়া ব্যাখ্যা* সংকলনটোত সন্নিৱিষ্ট কবিতাসমূহৰ বিষয়বস্তুৰ বৈচিত্ৰ্য বিশেষভাৱে লক্ষনীয়। ব্যক্তিগত স্মৃতি, সমাজ-জীৱনৰ পৰা লাভ কৰা অভিজ্ঞতা আৰু আত্মোপলব্ধিৰ পৰা জীৱন নৰহে এই কবিতাসমূহ লিখি উলিয়াইছে। তথাপি এই সকলো কবিতাক একেডাল সূতাৰেই বান্ধি ৰাখিছে— সেয়া হৈছে কবিৰ সংবেদনশীলতা। কবিৰ দৃষ্টি সদায়ে মানুহ আৰু মানুহৰ চৌপাশৰ জগতখনৰ ওপৰত নিবদ্ধ। এই জগতখন কেতিয়াবা স্নিগ্ধ, কেতিয়াবা কঠোৰ, কেতিয়াবা অসহ্য বেদনাৰে ভৰা, কিন্তু সদায়ে জীৱন্ত।

‘পেলনীয়া ব্যাখ্যা’ কবিতাটিত কবিয়ে কবিতা, কবি আৰু ব্যাখ্যাকাৰীৰ মাজৰ সম্পৰ্কক প্ৰতীক-চিত্ৰকল্পৰ সহায়ত ব্যাখ্যা কৰিছে। কবিতাটোৰ আৰম্ভণিতে সহজ ভাবনাৰ কথা ক’লেও,— ক্ৰমাগতভাৱে বুজাই দিয়া হৈছে যে সহজ ভাবনা কবিতাৰ জন্মবিন্দু হ’লেও কবিতা নিজে কেতিয়াও সম্পূৰ্ণ সহজ নহয়। ভাবনাবোৰ নতুন নহয়, আগতেই কোনোবাই ভাবি থৈ গৈছে— কিন্তু সময়, মনোভংগী আৰু ভাষাৰ ‘হেলনীয়া’ই সেই ভাবনাক নতুন ৰূপ দিয়ে। কথক বা পৰ্যবেক্ষকৰ চেতনাত সেই নতুনত্বই ধৰা দিয়ে। কথকজনক অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ ‘নিৰ্ধাৰক’ হিচাপে দেখুওৱা হৈছে। এই প্ৰতীকে কবিতাক এক সময়াতীত সৃষ্টিৰূপে প্ৰতিষ্ঠা কৰে, য’ত কবিৰ চেতনাই সকলো সময়কে একেলগে ধাৰণ কৰিব পাৰে। কিন্তু বয়স অনুসৰি যি ভাবনা সহজে মনলৈ আহে, তাক কবিতাৰ ৰূপ দিয়াটো কঠিন— এইখিনিতে কবিয়ে কবিতা আৰু সৰল ভাষাৰ মাজৰ মৌলিক পাৰ্থক্য দেখুৱাইছে। এই কঠিনতাই ব্যাখ্যাৰ জন্ম দিয়ে, আৰু সেই ব্যাখ্যা বহু সময়ত ‘জটিল’, ‘অৰ্থহীন’ বা ‘শূন্য’ হৈ পৰে। ইয়াত ব্যাখ্যাকাৰীজন এক প্ৰকাৰৰ বিকাৰগ্ৰস্ততাৰ প্ৰতীক হৈ ধৰা দিছে— যি কবিতাৰ জীৱন্ত অনুভৱক বুদ্ধিদীপ্ত পৰিকাঠামোত বন্দী কৰিব খোজে।

কবিতাক “কোমল সেউজীয়া ঘাঁহ এডাল” বা “বতাহত নাচি থকা মন্থৰ অথবা ধীৰ লয়ৰ এডাল জীয়া কোঁহ”ৰ সৈতে তুলনা কৰি কবিয়ে কবিতাৰ স্বাভাৱিকতা, সজীৱতাৰ প্ৰসংগ উনুকিয়াইছে। এই চিত্ৰকল্পই কবিতাক এক জীৱন্ত সত্তা হিচাপে চিত্ৰিত কৰে– যাক বুজাব নোৱাৰি, কেৱল অনুভৱহে কৰিব পাৰি। ব্যাখ্যা ইয়াৰ বিপৰীতে এক জটিল প্ৰক্ৰিয়া, যিয়ে এই সজীৱতাক বহু সময়ত ক্ষতিগ্ৰস্ত কৰি আহিছে।

কবিতাটোত কবিয়ে স্পষ্ট কৰি দিছে যে কবিবোৰ কবিতাৰ বাবেই জন্ম— পেলনীয়া ব্যাখ্যাকাৰীৰূপে নহয়। ইয়াত কবিৰ সৃষ্টিশীলতাৰ ওপৰত জোৰ দিয়া হৈছে আৰু কবিতাৰ অতিৰঞ্জিত ব্যাখ্যাকাৰীজনৰ প্ৰতি একপ্ৰকাৰৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। ‘‘কবিৰ জয়জয়কাৰ’’ ধ্বনিৰ জৰিয়তে কবিয়ে সৃষ্টিকৰ্তাক ব্যাখ্যাকাৰীজনতকৈও উচ্চ আসনত স্থান দিছে।

মূলতঃ এই কবিতাটিত কবিয়ে প্ৰতীক আৰু চিত্ৰকল্পৰ সহায়ত কবিতাৰ স্বভাৱ, কবিৰ ভূমিকা আৰু ব্যাখ্যাকাৰীৰ সীমাবদ্ধতা স্পষ্টকৈ উল্লেখ কৰিছে। কবিয়ে ক’ব খোজা কথাটো হ’ল— কবিতা বুজি পোৱাৰ নামত তাক ধ্বংস কৰি পেলোৱাতকৈ, তাৰ সজীৱ লয় আৰু অনুভৱক স্বীকাৰ কৰাটোৱেই কবিতাৰ প্ৰতি সত্যনিষ্ঠ আচৰণ।

‘কৃষ্ণ আৰু শিৱ’ এই সংকলনৰ এটি উল্লেখযোগ্য কবিতা। কবিতাটিত উল্লিখিত ‘কৃষ্ণ’ আৰু ‘শিৱ’ কোনো ‘দেৱতা’ নহয়, বৰঞ্চ গভীৰ মানৱতাৰ প্ৰতীক। কবিয়ে পুৰুষৰ ‘‘বহু তৰপৰ মোহ আৰু গ্লানি’’ৰ কথা কৈ কৃষ্ণ আৰু শিৱক তাৰ সাক্ষী বুলি কোৱা প্ৰসংগটো বিশেষভাৱে অৰ্থৱহ। ইয়াত কৃষ্ণ মানে মোহ, লীলা, প্ৰেম, ইন্দ্ৰিয়গ্ৰাহ্য আনন্দ আৰু জীৱনৰ প্ৰাচুৰ্যতা; আনহাতে শিৱ মানে বৈৰাগ্য, নীৰৱতা, ধ্বংস, আত্মসংযম আৰু গভীৰ বেদনাৰ একপ্ৰকাৰৰ স্বীকৃতি। এই দুয়োটা চৰিত্ৰ একেলগে ৰাখি কবিয়ে ক’ব খুজিছে যে মানুহৰ জীৱন একমাত্ৰ সুখ অথবা দুখৰ সমষ্টি নহয়– বৰঞ্চ ই দুয়োটাৰে সহাৱস্থান।



জীৱন নৰহ ফটো)ফেচবুকৰ সৌজন্যত(

"নীৰৱতাৰ মাজত বহু নাৰীয়ে/কৃষ্ণ আৰু শিৱক বিচাৰে" বুলি কওঁতে কবিয়ে নাৰীৰ অন্তৰ্জগতৰ এক সূক্ষ্ম সত্য উন্মোচন কৰিছে। ইয়াত 'কৃষ্ণ' হৈছে নাৰীৰ আকাংক্ষা আৰু প্ৰেমৰ প্ৰতীক; শিৱ হৈছে নাৰীৰ নীৰৱ বেদনা, সহনশীলতা আৰু গভীৰ উপলব্ধিৰ প্ৰতীক। অৰ্থাৎ নাৰীৰ মনত একেলগে মোহো আছে, বৈৰাগ্যও আছে। ই মানুহৰ মনৰ অন্তৰ্জগতত গভীৰভাৱে শিপাই থাকে।

"এই আছে এই নাই" শাৰীটোত কবিয়ে কৃষ্ণ-শিৱৰ দ্বৈত সত্তা প্ৰকাশ কৰিছে। তেওঁলোক দৃশ্যমানো, অদৃশ্যও; উপলব্ধিযোগ্য, ধৰিব পাৰিও নোৱাৰিও। যেন মানুহৰ স্পষ্ট-অস্পষ্ট মানসিকতাৰ বহিৰ্প্ৰকাশ ঘটাইছে এই শাৰীটোত। ইয়াৰ দ্বাৰা কবিয়ে জীৱনৰ অনিশ্চয়তা আৰু দ্বন্দ্বক প্ৰতীকৰ সহায়ত ধৰি ৰাখিছে।

"যাৰ প্ৰচুৰ সুখ আছে/তাৰ প্ৰচুৰ গ্লানিও আছে" এই পংক্তিত কবিৰ দাৰ্শনিক দৃষ্টিভংগী প্ৰকাশ পাইছে। 'সুখ' আৰু 'গ্লানি' একেটা মুদ্ৰাৰ দুটা পিঠি। কৃষ্ণৰ প্ৰচুৰ আনন্দৰ আঁৰত বিচ্ছেদ আৰু কৰ্তব্যৰ গ্লানি আছে; শিৱৰ ত্যাগ আৰু তপস্যাৰ আঁৰত গভীৰ প্ৰেম আৰু বেদনাৰ ইতিহাস আছে। সেয়েহে এই দুয়োটা চৰিত্ৰ সকলোৰে "প্ৰিয় বিষ আৰু অমৃত" হৈ উঠিছে— কাৰণ মানুহে নিজৰ সম্পূৰ্ণ সত্তাক, নিজৰ সুখ-দুখৰ সানমিহলি ৰূপটোক 'কৃষ্ণ আৰু শিৱ'ৰ মাজত চিনাক্ত কৰিব পাৰে।

'তোমাৰ মুখখন' শীৰ্ষক কবিতাত 'মুখ', 'চকু', 'গাঁও' আৰু 'ইয়াতেই' আদি চিত্ৰকল্পৰ যোগেদি কবিয়ে মাতৃত্ব আৰু কৰুণাৰ এক সাৰ্বজনীন অনুভৱ প্ৰকাশ কৰিছে। 'তোমাৰ মুখখন কৰুণাৰ এখন দুৱাৰ' বুলি কওঁতে এগৰাকী মততামৱী মাতৃৰ নিঃচৰ্ত ভালপোৱাৰ এখন পৃথিৱীৰ সন্ধান দিছে। "তোমাৰ চকুযুৰি আকাশজুৰি ব্যাপ্ত" শাৰীটোত মাতৃৰ চকুযুৰিক অসীম সহানুভূতি আৰু সৰ্বব্যাপী দৃষ্টিৰ প্ৰতীক হিচাপে চিহ্নিত কৰিছে। মাতৃৰ চকুত সকলো ধৰা পৰে— সন্তানৰ দুখ, ভয়, আশা-আকাংক্ষা আদি। আকাশৰ দৰে ব্যাপ্ত হোৱাৰ অৰ্থই হৈছে সেই দৃষ্টিৰ সীমা নাই, যি সকলো আৱৰি লয় বা ল'ব পাৰে। "তুমি আছা সৌ ওপজা গাঁৱত/ অথচ তুমি ইয়াতেই" এই চিত্ৰকল্পই দূৰত্ব আৰু উপস্থিতিৰ দ্বন্দ্ব উন্মোচিত কৰিছে। মাতৃগৰাকী শাৰীৰিকভাৱে দূৰত থাকিলেও তেওঁৰ স্নেহ আৰু কৰুণা সন্তানৰ চেতনাত সদায়ে উপস্থিত। "ইয়াতেই" শব্দটোৰ পুনৰুক্তিয়ে কবিৰ মানসিক আৰু আত্মিক উপলব্ধিক আৰু দৃঢ় কৰি তোলে।

শেষৰ অংশত থকা "কৰুণ কোমল এখন মুখ/ মোৰ আই/ মোক কোলাত লোৱা" পংক্তিটোৰ যোগেদি কবিয়ে সকলো বিমূৰ্ত প্ৰতীকক এক গভীৰ মানৱীয় আকাংক্ষালৈ নমাই আনিছে। ইয়াত উল্লিখিত 'আই'গৰাকীক কেৱল জৈৱিক মাতৃ বুলিব নোৱাৰি, সম্ভৱতঃ এই 'আই'গৰাকী আশ্ৰয়, নিৰাপত্তা আৰু নিঃচৰ্ত ভালপোৱাৰ চিৰন্তন প্ৰতীক। "মোক কোলাত লোৱা" বুলি জনোৱা আহ্বানে হয়তো মানুহৰ জীৱনৰ ক্লান্তি, ভয় আৰু একাকীত্বৰ পৰা মুক্তি বিচৰা অন্তিম আকুতিও হ'ব পাৰে। এই কবিতাটিত কবিয়ে এগৰাকী মাতৃক ব্যক্তিগত অনুভৱৰ পৰা উলিয়াই আনি সাৰ্বজনীন দৃষ্টিভংগী প্ৰদান কৰিছে। যিগৰাকী মাতৃ সকলো মানুহৰ দুখ, একাকীত্ব আৰু ক্লান্তিৰ আশ্বাসৰ প্ৰতীক হৈ ধৰা দিছে।

'আয়ে দিয়া মাতষাৰ' কবিতাটিত 'আইৰ মাতষাৰ'ৰ মাজত কবিয়ে এক গভীৰ মানৱীয় নৈতিকতা বিচাৰি পাইছে। ধৰ্মৰ সৈতে মাতৃৰ মাতষাৰক তুলনা কৰি কবিয়ে লিখিছে– "ধৰ্মতকৈ আইৰ মাতষাৰ/ মই বেছি বিশ্বাস কৰোঁ।" মাতৃৰ মাতত কোনো দৃষ্টান্তমূলক বিধি বা ভীতি নাই; ইয়াত আছে নিঃচৰ্ত বিশ্বাস আৰু মানৱতা। 'সাগৰ আৰু তৰা'ৰ চিত্ৰকল্পৰ সহায়ত এই বিশ্বাস আৰু মানৱতাৰ বিশালতা প্ৰকাশ কৰা হৈছে। সাগৰৰ তলি চুব নোৱাৰাৰ দৰে আৰু তৰালৈ হাত মেলিও ঢুকি নোপোৱাৰ দৰে আইৰ মাতত নিহিত বিশ্বাসো তুলনাবিহীন। এই বিশ্বাস যুক্তি বা প্ৰমাণৰ বিষয় নহয়; ই অনুভৱ আৰু অভিজ্ঞতাৰ পৰা জন্ম লোৱা এক গভীৰ আত্মিক উপলব্ধি। কবিতাটিৰ গুৰুত্বপূৰ্ণ বক্তব্যটো হৈছে ধৰ্ম আৰু ৰাজনীতিৰ সম্পৰ্কৰ প্ৰতি কবিৰ সমালোচনামূলক দৃষ্টিভংগী। ধৰ্মক ৰাজনীতিৰ "ভৃত্য" বুলি কোৱা প্ৰসংগটো একপ্ৰকাৰৰ তীব্ৰ শ্লেষ, যাৰ জৰিয়তে কবিয়ে ইংগিত দিছে যে ধৰ্ম বহু সময়ত ক্ষমতা আৰু স্বাৰ্থৰ হাতত ব্যৱহৃত হয়। এই পৰিপ্ৰেক্ষিতত আইৰ মাতষাৰ "ধৰ্মতকৈ ওখ" হৈ পৰিছে— কাৰণ 'আইৰ মাতষাৰ' কোনো স্বাৰ্থ, বিভাজন বা শাসনৰ সৈতে জড়িত নহয়। জড়িত হোৱাৰ সম্ভাৱনাও নাই। এই কবিতাটিয়ে আইৰ মাতষাৰক নৈতিকতা আৰু মানৱতাৰ প্ৰতীকী ৰূপত উন্মোচিত কৰিছে।

'মুখ আৰু মুখা' কবিতাটিত 'মুখ' আৰু 'মুখা'ৰ প্ৰতীক ব্যৱহাৰ কৰি কবিয়ে মানুহ আৰু কবিৰ সত্তাগত পাৰ্থক্য, লগতে কবিতাৰ জন্মপ্ৰক্ৰিয়া আৰু গ্ৰহণযোগ্যতা সম্পৰ্কে এক তীক্ষ্ণ দাৰ্শনিক বক্তব্য আগবঢ়াইছে। ইয়াত মানুহ মানে সমাজত বাস কৰা এক সৰল, সীমাবদ্ধ আৰু আত্মৰক্ষামূলক সত্তা, যাৰ মুখা আছে অৰ্থাৎ যি নিজৰ সত্য আড়াল কৰি চলে। বিপৰীতে কবি কোনো নিৰ্দিষ্ট মুখাৰে আৱদ্ধ নহয়; কবি নিজেই মুখাৰে গঠিত, অৰ্থাৎ বহুস্বৰ আৰু বহুবিৰোধেৰে গঢ় লোৱা এক জটিল সত্তা।

মানুহৰ 'অপবাদ' আৰু 'দুৰ্ঘটনা' বাহ্যিক, যাক মানুহে এৰাই চলিব বিচাৰে। কিন্তু কবিৰ ক্ষেত্ৰত এইবোৰ এৰাব নোৱাৰা প্ৰসংগ, ই কবিৰ সৃষ্টিৰ মূল উপাদান। ...কবি অপবাদেৰে নিৰ্মিত, ...কবি দুৰ্ঘটনাতেই জন্ম —এই বক্তব্যৰ জৰিয়তে কবিয়ে ক'ব খুজিছে যে মানুহে বিৰক্তি, ব্যৰ্থতা বা অস্বস্তি এইবোৰক এৰাই চলে, কিন্তু কবিয়ে সেইবোৰকেই কাব্যিক সত্যলৈ ৰূপান্তৰ কৰে। সেয়েহে পৃথিৱীৰ সমস্ত গ্লানি-গৰিহণা কবিয়ে মূৰ পাতি লয়, কাৰণ কবিতাৰ জন্মই হয় গ্লানি আৰু গৰিহণাৰ পৰা।

'মানুহ সৰল-মূৰ্খ/ আৰু কবি জটিল মুখা" এই উক্তিত মানুহক হেয় প্ৰতিপন্ন কৰা উদ্দেশ্যত নহয়, বৰঞ্চ মানুহে জটিল সত্য সহজভাৱে গ্ৰহণ কৰিব নোৱাৰাৰ সীমাবদ্ধতাক সূচোৱা হৈছে। কবিৰ মুখা জটিল, কাৰণ কবিতা নিজেই ভ্ৰম, প্ৰতীক আৰু বহুস্তৰীয় অৰ্থেৰে গঠিত। সেয়ে "কাব্য ভ্ৰমৰ পৃষ্ঠভূমিত সৃষ্টি হোৱা" কবিৰ ধাৰণা সহজে গ্ৰহণযোগ্য নহয়।

শেষৰ ফালে কবিয়ে এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে— এই ভ্ৰমটো কাৰ? কওঁতাৰ, শুনোতাৰ নে পাঠকৰ? ইয়াৰ উত্তৰ কবিয়ে দিয়া নাই। এই দায়িত্ব কবিৰ অনুগামীসকলৰ, অৰ্থাৎ পাঠক অথবা ব্যাখ্যাকাৰীলৈ ঠেলি দিছে। সামগ্ৰিকভাৱে এই কবিতাটিয়ে কবি, কবিতা আৰু পাঠকৰ মাজৰ জটিল সম্পৰ্কৰ লগতে সত্য আৰু ভ্ৰমৰ সীমাৰেখাডালৰ অনুসন্ধান কৰিছে। এই কবিতাত কবিগৰাকী সমাজৰ বাহ্যিক সত্তা নহয়, বৰঞ্চ সমাজে বহন কৰিব নোখোজা অপ্ৰিয় সত্যবোৰ নিজে মূৰ পাতি লোৱা এক অস্থিৰ কিন্তু অনিবাৰ্য সত্তা।

'প্ৰকৃতিৰ পৰমায়ুস' কবিতাত প্ৰকৃতি আৰু আধুনিক নগৰায়নৰ মাজৰ সংঘাত, লগতে প্ৰকৃতিৰ ধীৰে ধীৰে ক্ষয় হোৱাৰ বেদনাদায়ক সত্য প্ৰকাশ কৰিছে। শুকান গছ, নৈ, চৰাই, গাঁও আৰু নগৰ —এইবোৰ সকলো একো একোটা স্বাভাৱিক দৃশ্য হ'লেও, ইহঁতে সময়ৰ পৰিৱৰ্তন আৰু মানৱৰ হস্তক্ষেপৰ ধ্বংসাত্মক দিশটো স্পষ্ট কৰি তোলে।

শুকান গছজোপাৰ কাষৰে, নৈখনলৈ নামি যোৱা বাটটো প্ৰকৃতিৰ জীৰ্ণতা আৰু চলমান জীৱনৰ প্ৰতীক। গছ শুকাই যোৱা মানে প্ৰকৃতিৰ শক্তি ক্ষয় হোৱা, অথচ নৈখন এতিয়াও বৈ আছে— যি জীৱনৰ গতিশীলতাক প্ৰতিনিধিত্ব কৰিছে। কিন্তু সেই নৈখনলৈ যোৱা বাটটোৱেই দেখুৱাই দিছে যে প্ৰকৃতি এতিয়া ধ্বংস পৰাহত। প্ৰকৃতিক লৈ কোনো চিন্তিত নহয়। নৈখনৰ পানীৰ ঢৌৰ ওপৰে ওপৰে উৰি যোৱা কাম বৰণীয়া চৰাইবোৰে প্ৰাকৃতিক ছন্দ আৰু নিয়মৰ প্ৰতীকী অৰ্থ বহন কৰে। "নিয়ম ভাঙি দূৰ দূৰলৈ উৰিছে" –এই চিত্ৰকল্পই ইংগিত দিয়ে যে প্ৰকৃতিৰ স্বাভাৱিক ছন্দ ভাঙি গৈছে; চৰাইবোৰেও নিৰাপত্তা আৰু আশ্ৰয় বিচাৰি ভাগৰি পৰিছে।

গাঁওখন নগৰলৈ পৰিৱৰ্তন হোৱা আৰু নগৰখনে ৰাতিৰ নিৰ্জনতা হেৰুওৱা প্ৰসংগটো এক অনিবাৰ্য কিন্তু উদ্বেগজনক ছবি। ইয়াত 'উন্নয়ন' বাহ্যিকভাৱে আগবঢ়া যেন লাগিলেও অন্তৰ্নিহিতভাৱে ই প্ৰকৃতি, নীৰৱতা আৰু মানৱীয় সৰলতাক ক্ষতিগ্ৰস্ত কৰিছে। ৰাতিৰ নিৰ্জনতা হেৰুৱা মানে মানুহ আৰু প্ৰকৃতিৰ অন্তৰঙ্গ সম্পৰ্ক ছিঙি-ভাঙি পেলোৱাৰ ইংগিত বহন কৰিছে। "ক্ৰমান্বয়ে নগৰখনে নৈখনক হেঁচা মাৰি ধৰিছে" শাৰীটোৱে কবিতাটোৰ কেন্দ্ৰীয় অৰ্থটো স্পষ্ট কৰি দিয়ে। নৈখন ইয়াত প্ৰকৃতি আৰু জীৱনৰ প্ৰৱাহৰ প্ৰতীক, আৰু নগৰখন ক্ষমতা, ভোগ আৰু আধিপত্যৰ প্ৰতীক। এই হেঁচাই প্ৰকৃতিৰ পৰমায়ুস— তাৰ সহনশীলতাৰ সীমাৰেখাক সূচায়। কবিয়ে ক'ব খোজে যে বৰ্তমানলৈকে প্ৰকৃতিয়ে নীৰৱে সকলো সহ্য কৰি আছে, কিন্তু এই সহনশীলতাৰো এক অন্তিম সীমাৰেখা আছে।

এই কবিতাটিয়ে প্ৰকৃতিৰ সৌন্দৰ্য বৰ্ণনাক অতিক্ৰম কৰি মানৱ সভ্যতাৰ এক আত্মসমালোচনামূলক দিশলৈ গতি কৰিছে। কবিয়ে কবিতাটিৰ যোগেদি সকীয়াই দিছে যে উন্নয়নৰ নামত যদি প্ৰকৃতিৰ স্বাভাৱিক ছন্দ ধ্বংস কৰা হয়, তেন্তে সেই উন্নয়নেই এদিন মানুহৰ বাবে সংকট হৈ উঠিব পাৰে।

*পেলনীয়াব্যাখ্যা* জীৱন নৰহৰ কবিতা-জগতৰ এক গুৰুত্বপূৰ্ণ পৰ্যায়। ইয়াত আধুনিক মানুহৰ সময়বোধ, স্মৃতিবোধ আৰু সংবেদনশীল অস্তিত্বৰ এক গভীৰ সত্যৰ প্ৰকাশ ঘটিছে। এই সংকলনৰ কবিতাসমূহত কবিয়ে ভাষাক অলংকাৰ বা বৌদ্ধিক কৌশলৰ পৰা মুক্ত কৰি জীৱনৰ স্বাভাৱিক প্ৰৱাহৰ সৈতে একীভূত কৰিছে। সময় ইয়াত কেৱল গতিশীলতা নহয়, স্মৃতি আৰু অভিজ্ঞতাৰ সানমিহলি ৰূপ; সমাজ-চেতনা ইয়াত শ্লোগান নহয়, নীৰৱ সহমৰ্মিতা; আৰু প্ৰতিবাদো উচ্চস্বৰ নহয়, কিন্তু গভীৰভাৱে অনুভূত। কবি, কবিতা আৰু পাঠকৰ মাজৰ সম্পৰ্কক লৈ কৰা আত্মসমালোচনাই এই সংকলনক আৰু অধিক তাৎপৰ্যপূৰ্ণ কৰি তুলিছে। লগতে কৃষ্ণ-শিৰ, মাতৃত্ব, আইৰ মাত, মুখ-মুখা, প্ৰকৃতি আৰু নগৰায়ন আদি প্ৰতীক, চিত্ৰকল্পৰ জৰিয়তে কবিয়ে মানুহৰ সুখ-দুখ, মোহ-বৈৰাগ্য, বিশ্বাস-ভ্ৰম আৰু উন্নয়ন-বিনাশৰ দ্বন্দ্বসমূহ সূক্ষ্মভাৱে উন্মোচন কৰিছে। এই কবিতাবোৰ পঢ়োঁতে পাঠকে কেৱল কবিৰ অভিজ্ঞতা নহয়, নিজৰ জীৱনৰ ছবি, নিজৰ সময়ৰ চাপ আৰু নিজৰ মনৰ প্ৰশ্নসমূহো স্পষ্টকৈ অনুভৱ কৰিব। সেই অৰ্থতেই জীৱন নৰহৰ

কবিতা *পেলনীয়া ব্যাখ্যাৰ* কবিতাসমূহে বিষয়বস্তুতকৈও অনুভৱৰ, মতবাদতকৈও মানৱতাৰ আৰু শব্দতকৈও জীৱনৰ অধিক ওচৰ চপা এক কাব্যিক অভিজ্ঞতা হৈ ধৰা দিছে।